জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪১/২০২০

# সুভাষ চন্দ্ৰ দাস নেতৃত্বাধীন অৰ্থনৈতিক পৰামৰ্শদাতা সমিতিৰ সৈতে মুখ্যমন্ত্ৰীৰ প্ৰথম বৈঠক

## ৰাজ্যৰ অৰ্থনীতিৰ পুনৰুত্থানৰ বাবে এক শক্তিশালী প্ৰতিবেদন দাখিল কৰিবলৈ পৰামৰ্শদাতা সমিতিক মুখ্যমন্ত্ৰীৰ আহ্বান

## পশুপালনৰ জৰিয়তে ৰাজ্যৰ ৫৮ হাজাৰ টা আত্মসহায়ক গোটে বিগত বৰ্ষত ৯০০ কোটিৰো অধিক ধন উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল ঃ মুখ্যমন্ত্ৰী

## বৰ্তমানৰ সংকটে কৃষিজাত সামগ্ৰীৰ বিতৰণ ব্যৱস্থাটোৰ পৰা মধ্যভোগীসকলক উৎখাত কৰাৰ সুযোগ কঢ়িয়াই আনিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ মে'ঃ** ৰাজ্যৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ উদ্দেশ্যে চৰকাৰে অলপতে গঠন কৰি দিয়া পৰামৰ্শদাতা সমিতিৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত আজি এক বৈঠকত মিলিত হয়। ক'ভিড-১৯ সৃষ্ট জটিল পৰিস্থিতিয়ে ৰাজ্যৰ অৰ্থনীতিলৈ নমাই অনা মন্দাৱস্থা দূৰীকৰণৰ বাবে মুখ্যমন্ত্ৰীয়ে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সুভাষ চন্দ্ৰ দাস নেতৃত্বাধীন এই সমিতিৰ পৰা দিহা-পৰামৰ্শ বিচাৰে। সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ অৰ্থনীতিক কিদৰে গতিশীলতা প্ৰদান কৰিব পৰা যাব তাৰ বাবে উপযুক্ত পৰামৰ্শ আগবঢ়াবলৈ তথা অসমৰ সফল উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰি আৰু নৱ প্ৰজন্মৰ ভৱিষ্যদৰ্শী বিভিন্ন বিষয় পৰ্যালোচনা কৰি এক শক্তিশালী প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

ৰাজ্যখনৰ অৰ্থনীতিৰ দ্ৰুত উত্থানৰ ক্ষেত্ৰত আৰু নিয়োগৰ সম্ভাৱনা সৃষ্টিৰ ক্ষেত্ৰত কৃষি আৰু সংলগ্ন খণ্ডৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কৃষকসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বিপণনৰ বাবে উপযুক্ত বজাৰ ব্যৱস্থা গঢ়ি তোলা আৰু ন্যূনতম নিশ্চিত মূল্য সুনিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। উপযুক্ত বজাৰৰ অভাৱে কৃষকসকলক হতাশ কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উৎপাদিত ফচলসমূহ যাতে পথাৰতে নষ্ট হ'ব লগা পৰিস্থিতিৰ সৃষ্টি নহয় সেই ক্ষেত্ৰত আমি বিশেষভাৱে চকু দিব লাগিব।

উৎপাদন-ক্ৰয়-বিপণনৰ শৃংখলডাল সুসংগঠিত কৰা আৰু কৃষকসকলৰ বাবে বজাৰ ব্যৱস্থা বহনক্ষম কৰি তোলাৰ বাবে এক উপযুক্ত ৰোডমেপ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে সমিতিক আহ্বান জনায়। শীতলীকৰণ ভৰাল আৰু এই ধৰণৰ অন্যান্য সা-সুবিধাৰ ব্যৱস্থা কৰাটো বৰ্তমান সময়ৰ দাবী বুলি উল্লেখ কৰি সমিতিৰ পৰামৰ্শাৱলী প্ৰস্তুতৰ সময়ত এই দিশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

প্ৰতিটো দুৰ্যোগেই সুযোগ কঢ়িয়াই আনে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কৌশলগত হস্তক্ষেপৰ জৰিয়তে মীন, পশুধন, ফল-মূলৰ খেতি, দুগ্ধ উৎপাদন আদি খণ্ডত ৰাজ্যখনক আত্মনিৰ্ভৰশীল

কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে এই দুৰ্যোগৰ সময়ত বহিঃ ৰাজ্যত কৰ্মৰত যিসকল যুৱক অসমলৈ ঘূৰি আহিছে তেওঁলোকক আত্মনিয়োজনৰ সা-সুবিধা প্ৰদানেৰে মৰ্যাদা সহকাৰে জীৱন যাপনৰ সুবিধা প্ৰদান কৰিব লাগিব আৰু এই ক্ষেত্ৰত কৃষি আৰু ইয়াৰ সহযোগী খণ্ডই বিশেষ ভূমিকা পালন কৰিব।

ভিয়েটনাম ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰখনত খাদ্য সামগ্ৰীসমূহৰ মূল্য সংযোজনৰ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। অসমৰ কৃষিজাত সামগ্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰ লগতে চুবুৰীয়া দেশসমূহৰ বজাৰ দখল কৰাৰ প্ৰচুৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ অৰ্থনীতিৰ পুনৰুজ্জীৱিতকৰণৰ বাবে কৌশল আৰু আৰ্হি প্ৰস্তুত কৰিবলৈ পৰামৰ্শদাতা সমিতিৰ সদস্যসকলক আহ্বান জনায়। এই আৰ্হিয়ে যাতে পঞ্চায়ত সমূহৰ জৰিয়তে ৰাজ্যখনৰ তৃৰ্ণমূল পৰ্যায়লৈকে স্পৰ্শ কৰে তাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। বিগত বৰ্ষত ৰাজ্যৰ ৫৮ হাজাৰ টা আত্মসহায়ক গোটে পশুপালনৰ ব্যৱসায়ত আত্ম-নিয়োগ কৰি ৯০০ কোটিৰো অধিক ধন উপাৰ্জন কৰিবলৈ সক্ষম হোৱাৰ কথা জানিবলৈ দি মুখ্যমন্ত্ৰীগৰাকীয়ে গ্ৰাম্য অৰ্থনীতিৰ পুনৰুত্থানৰ বাবে আত্মসহায়ক গোটৰ আৰ্হিটোক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰে।

দেশৰ কৃষকসকলৰ কল্যাণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে হাতত লোৱা বিভিন্ন আঁচনি যেনে প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, কৃষকসকললৈ ৫০০০ টকাৰ অৰ্থ সাহায্য প্ৰদান আদিৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষকসকলৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ উদ্দেশ্যেই এই আঁচনিসমূহ হাতত লোৱা হৈছিল আৰু এই আঁচনিসমূহ ৰাজ্যত উপযুক্তভাৱে ৰূপায়ণৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াবলৈ তেওঁ সমিতিৰ সদস্যসকলক আহ্বান জনায়। তেওঁ লগতে কয় যে বৰ্তমানৰ সংকটে কৃষিজাত সামগ্ৰীৰ বিতৰণ ব্যৱস্থাটোৰ পৰা মধ্যভোগীসকলক উৎখাত কৰা আৰু বিতৰণ ব্যৱস্থাত স্থানীয় যুৱক-যুৱতীক নিয়োগ কৰাৰ সুযোগ কঢ়িয়াই আনিছে। সমাজে কৃষকসকলক উপযুক্ত সন্মান যাচিলেহে নতুন প্ৰজন্মই এই ক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ আগবাঢ়ি আহিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

পৰামৰ্শদাতা সমিতিখনৰ অধ্যক্ষ সুভাষ চন্দ্ৰ দাসে মুখ্যমন্ত্ৰীক অৱগত কৰে যে উপলব্ধ তথ্যসমূহৰ বিশ্লেষণ আৰু পৰ্যাপ্ত অধ্যয়নৰ পাছত পৰৱৰ্তী ২০ দিনৰ ভিতৰত সমিতিয়ে এক প্ৰাথমিক প্ৰতিবেদন দাখিল কৰিবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত এক পদ্ধতিগত হস্তক্ষেপ অনাৰ বাবে সমিতিয়ে বিশেষ প্ৰয়াস চলাব বুলিও তেওঁ মুখ্যমন্ত্ৰীক অৱগত কৰে।

উল্লেখযোগ্য যে যোৱা ৩ মে' তাৰিখে মুখ্যমন্ত্ৰী সোণোৱালে ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত এখন ৮ জনীয়া পৰামৰ্শদাতা সমিতি গঠন কৰিছিল। সমিতিৰ অন্যান্য সদস্যসকল আছিল অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ডঃ কে এম বুজৰবৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ মাধুৰ্য বেজবৰুৱা, অমিয় কুমাৰ দাস ইনষ্টিটিউট অব ছ'চিয়েল ছেইঞ্জ এণ্ড ডেভেলপমেণ্টৰ সহযোগী অধ্যাপক ডঃ জয়দীপ বৰুৱা, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ কাৰ্যবাহী সঞ্চালক

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ডঃ অমিয় শৰ্মা, এৰিয়াছ ছ'চাইটিৰ কৃষি-বাণিজ্য পৰামৰ্শদাতা গৌতম গোস্বামী, ভাৰতীয় কিষাণ সংঘৰ ৰাজ্যিক সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰা আৰু বিশিষ্ট সাংবাদিক অদীপ কুমাৰ ফুকন।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

**স্বাক্ষৰ / প্ৰঃকুবঃ / পুঃডেঃ**
**০৭/৫/২০২০**